# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-02-2026
**Time :** 1910 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সুযোগতে বিশ্বনেতাসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে।

৩। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-এ গোলকীয় শৈক্ষিক সহযোগিতা সক্ষম কৰি তুলিছে বুলি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে।

৪। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই পাৰস্পৰিকভাৱে উপকৃত হ'ব পৰা বাণিজ্য চুক্তি চূড়ান্ত কৰাৰ বাবে কাম কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সুযোগতে লিকটেনষ্টেইনৰ যুৱৰাজ এলইছৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বৈঠকত দুয়োগৰাকী নেতাই বিভিন্ন খণ্ডৰ দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰে। দুয়োপক্ষই ভাৰত আৰু লিকটেনষ্টেইনৰ মাজত কৃত্ৰিম বুদ্ধিমত্তা, উদ্ভাৱন আৰু দক্ষতা নিৰ্মাণকে ধৰি বিভিন্ন খণ্ডত বিশেষকৈ বাণিজ্য, বিনিয়োগ আৰু  উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁলোকে বিশেষকৈ ভাৰত-ই এফ টি এ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ পাছত দুয়োখন দেশৰ মাজৰ অৰ্থনৈতিক যোগাযোগৰ শক্তিশালী সম্ভাৱনীয়তাৰ বিষয়ত আলোচনা কৰে।

শ্ৰীমোদীয়ে আজি শ্লোভাক গণৰাজ্যৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণিৰ সৈতেও দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ বিষয়ৰ পৰ্যালোচনা কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগ, ডিজিটেল প্ৰযুক্তি, প্ৰতিৰক্ষা, মহাকাশ, শক্তি, সংস্কৃতি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি অন্যান্য খণ্ডত সহযোগিতা বৃদ্ধি কৰাৰ উপায় সন্দৰ্ভত আলোচনা কৰে। নেতা দুগৰাকীয়ে শেহতীয়া ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তি আৰু ভাৰত-ইউৰোপীয় সংঘ যুটীয়া ব্যাপক কৌশলগত কাৰ্যসূচী ২০৩০ক আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনৰ আপাহতে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ সৈতেও বৈঠকত মিলিত হয়। তেওঁলোকে শক্তি, যোগাযোগ, আন্তঃগাঁথনি, স্বাস্থ্য সেৱা,

সংস্কৃতি, নীল অৰ্থনীতি আদিকে ধৰি বিভিন্ন খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে। নেতা দুগৰাকীয়ে লগতে ভাৰত-শ্ৰীলংকা সম্পৰ্কত শেহতীয়া অগ্ৰগতি সন্দৰ্ভতো পৰ্যালোচনা কৰে। শ্ৰীমোদী আৰু মৰিছাচৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগোলামৰ মাজতো আজি এখন দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। দুয়োগৰাকী নেতাই দেশ দুখনৰ জনসাধাৰণৰ প্ৰগতি আৰু সমৃদ্ধিৰ বাবে উন্নত প্ৰযুক্তি বিকশাই তোলাৰ অৰ্থে ভাৰত-মৰিছাচ বৰ্ধিত কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰা সন্দৰ্ভত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁলোকে লগতে ভাৰত-মৰিছাচ দ্বিপাক্ষিক সহযোগিতাৰ গুৰুত্বপূৰ্ণ দিশসমূহৰো পৰ্যালোচনা কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছ্ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত হোৱা আলোচনাত ৰাষ্ট্ৰসংঘৰ সংস্কাৰ সন্দৰ্ভত নেতা দুগৰাকীয়ে নিজৰ মত ব্যক্ত কৰে।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত ভাৰত-কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সময়ত কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰাৰ বিষয়ত আজি ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবৈষ্ণৱে কয় যে কংগ্ৰেছে প্ৰতিটো ক্ষেত্ৰতে বাধাৰ সৃষ্টি কৰিব বিচাৰে। তেওঁ কয় যে শীৰ্ষ সন্মিলনখনৰ প্ৰসাৰ আৰু সাফল্যই বিৰোধী দলক অস্থিৰ কৰি তুলিছে। দেশৰ প্ৰযুক্তিগত আকাংক্ষাক আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলো অংশীদাৰক সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ কাছাৰ জিলাৰ কাটিগড়াৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সীমান্ত অঞ্চলসমূহৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে দেশৰ ১৭ খন ৰাজ্যৰ ৩৩৪ টা খণ্ড আৰু প্ৰায় এহেজাৰ ৯৫৪ খন গাঁৱৰ লগতে অসমৰ ১৪০ খন সীমান্তৱৰ্তী গাঁৱত এনেধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। তেওঁ লগতে কয় যে ৩৩৪টা খণ্ড আৰু ভাৰত বাংলাদেশ সীমান্তৰ প্ৰায় দুহেজাৰ গাঁৱত উন্নয়নমূলক কাম ইতিমধ্যে আৰম্ভ হৈছে। উল্লেখযোগ্য যে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অবৈধ অনুপ্ৰৱেশ অসমৰ বাবে এটা বৃহৎ সমস্যা বুলি উল্লেখ কৰি কয় যে অনুপ্ৰৱেশকাৰীসকলে বহুসংখ্যক গাঁৱত বসবাস কৰি আছে। বিজেপি চৰকাৰে বিগত ১০ বছৰত অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে। তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অবৈধ দখলকাৰীসকলক উচ্ছেদ কৰাৰ এটা অভিযান চলি আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছে দীৰ্ঘদিন শাসনত থকা সত্বেও এই সমস্যা সমাধান কৰিবলৈ সমৰ্থ নহ'ল বুলি সমালোচনা কৰে। অসমৰ বানৰ প্ৰসংগ উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে অনাগত পাঁচ বছৰত অসমক এখন বানমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ বিজেপি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনৰ পথ আন্তঃগাঁথনি উন্নয়ন, পৰ্যটন কেন্দ্ৰ স্থাপন আৰু উগ্ৰবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰতো ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

বিগত ১০ বছৰত অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ১৫ লাখ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত উন্নত অসম গঢ়াৰ দিশত এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মন্তব্য কৰে।

ইয়াৰ পূৰ্বে শ্ৰীশ্বাহে নাটানপুৰত উপস্থিত হৈ প্ৰথমেই ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰে আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। তেওঁ লগতে অনুষ্ঠানস্থলীত মহিলা আত্মসহায়ক গোটৰ বিপণী পৰিদৰ্শন কৰাৰ লগতে লাখপতি বাইদেউসকলৰ সৈতে মত-বিনিময় কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

ooooo

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-এ গোলকীয় শৈক্ষিক সহযোগিতা সক্ষম কৰি তুলিছে বুলি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সুযোগতে নতুন দিল্লীত অনুষ্ঠিত উচ্চ শিক্ষা সন্দৰ্ভত ভাৰত-স্পেইন শীৰ্ষ সন্মিলনৰ সামৰণি সত্ৰত ভাষণ দি শ্ৰীপ্ৰধানে এইদৰে কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে চলিত বৰ্ষত দুয়োখন দেশৰ মাজৰ কূটনৈতিক সম্পৰ্কই ৫০ বছৰ সম্পূৰ্ণ কৰিলে। ভাৰত আৰু স্পেইনৰ উমৈহতীয়া দৃষ্টিভংগীত শিক্ষা, গৱেষণা আৰু যুৱচামৰ মাজৰ সম্পৰ্কক গুৰুত্ব দি অহা হৈছে বুলি শ্ৰীপ্ৰধানে উল্লেখ কৰে। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ সিদ্ধান্ত লোৱাৰ ক্ষমতা, সৃষ্টিশীলতা আৰু নৈতিক দায়িত্বক শক্তিশালী কৰিব লাগিব। শ্ৰীপ্ৰধানে স্পেইনৰ আগশাৰীৰ বিশ্ববিদ্যালয়ক ভাৰতত ইয়াৰ চৌহদ স্থাপন কৰাৰ বাবে আমন্ত্ৰণ জনায়।

ooooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই পাৰস্পৰিকভাৱে উপকৃত হ'ব পৰা বাণিজ্য চুক্তি চূড়ান্ত কৰাৰ বাবে কাম কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে নতুন দিল্লীত আজি সাংবাদিকৰ আগত কয় যে মুখ্য আলোচকৰ নেতৃত্বত এটা প্ৰতিনিধি দলে অহা সপ্তাহত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। মুখপাত্ৰগৰাকীয়ে লগতে কয় যে ব্যৱসায়িকভাৱে যদি লাভজনক হয়, তেন্তে ভাৰতে ভেনিজুৱেলাৰ পৰা তেল ক্ৰয় কৰাৰ বিষয়টো বিবেচনা কৰিব।

সদ্যসমাপ্ত বাংলাদেশৰ নিৰ্বাচন সন্দৰ্ভত শ্ৰীজয়ছৱালে কয় যে বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে তাৰিক ৰহমানে নিৰ্বাচনত জয়লাভ কৰাৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক শুভেচ্ছা জনাইছে। মুখপাত্ৰগৰাকীয়ে লগতে কয় যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই যোৱা ১৭ ফেব্ৰুৱাৰীত বাংলাদেশৰ নতুন প্ৰধানমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানত অংশ লয় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰেৰণ কৰা পত্ৰখন তাৰিক ৰহমানক অৰ্পণ কৰে। এই পত্ৰখনত এখন গণতান্ত্ৰিক, সমৃদ্ধিশালী আৰু অন্তৰ্ভুক্তিমূলক বাংলাদেশৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰা হৈছে বুলি শ্ৰীজয়ছৱালে প্ৰকাশ কৰে।

ooooo

নতুন দিল্লীত আয়োজিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনৰ ২০২৬'ত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰসাৰত অ'পেন নেটৱৰ্ক আৰু 'ডিজিটেল ৰাজহুৱা আন্তঃগাঁঠনিৰ ভূমিকা সম্পৰ্কে বিশেষজ্ঞ পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ভাৰতৰ সন্মতি-ভিত্তিক তথ্যব্যৱস্থা, আন্তঃকাৰ্যকৰী মঞ্চ আৰু মুক্ত

অংশগ্ৰহণৰ পদ্ধতিয়ে কিদৰে কৃত্ৰিম বুদ্ধিমত্তাই নিয়োগৰ ভেটি তৈয়াৰ কৰিছে সেই বিষয়ে বক্তাসকলে মন্তব্য আগবঢ়ায়।

এই অলোচনাত এটা কথা স্পষ্ট হয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যত কেৱল নতুন আৰ্হিৰ আৱিষ্কাৰৰ দ্বাৰা নহয়, বৰঞ্চ অ'পেন নেটৱৰ্ক আৰু 'ডিজিটেল ৰাজহুৱা আন্তঃগাঁঠনিৰ দ্বাৰা নিৰ্ধাৰিত হ'ব, যাৰ জৰিয়তে এই উদ্ভাৱনসমূহ লাখ লাখ মানুহৰ ওচৰ পাবগৈ। ইয়াৰ লগতে মুক্ত নেটৱৰ্ক আৰু ডিজিটেল ৰাজহুৱা আন্তঃগাঁঠনিয়ে একেলগে কৃত্ৰিম বুদ্ধিমত্তাক পৰীক্ষামূলক পৰ্যায়ৰ পৰা জনসাধাৰণে ব্যাপকভাৱে ব্যৱহাৰ কৰিব পৰা পৰ্যায়লৈ নিবলৈ প্ৰয়োজনীয় প্ৰতিষ্ঠানিক আৰু প্ৰযুক্তিগত আধাৰ সৃষ্টি কৰা বুলিও প্ৰকাশ কৰা হৈছে। নেতাসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যাপক প্ৰসাৰৰ বাবে সুলভ, সহজে ব্যৱহাৰ কৰিব পৰা আৰু বহুভাষিক কৃত্ৰিম বুদ্ধিমত্তা বিকশাই তোলাৰ বাবে আহ্বান জনায়।

ooooo

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। অষ্ট্ৰেলিয়াই টছত জিকি ওমানক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

উল্লেখযোগ্য যে দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ বিৰ পৰা জিম্বাবুৱে আৰু শ্ৰীলংকাই ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ছুপাৰ এইটৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

ভাৰতে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত চুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেলসমূহ অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**